**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-11-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে শাসনলৈ প্ৰত্যাৱৰ্তন কৰিছে। এতিয়ালৈকে ঘোষিত ২১৫ খন আসনৰ ভিতৰত ভাৰতীয় জনতা পাৰ্টীয়ে ৮২ খনত জয়লাভ কৰিছে আৰু ৭ খনত আগবাঢ়ি আছে। সহযোগী দল জনতা দল ইউনাইটেডে ৭২ খন আসনত জয়লাভ কৰিছে আৰু ১৩ খনত আগবাঢ়ি আছে। এন ডি এৰ অন্যতম অংশীদাৰ লোক জনশক্তি পাৰ্টিয়ে ১৭ খন আসনত জয়লাভ কৰিছে আৰু ২ খনত আগবাঢ়ি আছে। ভাৰতীয় জাতীয় কংগ্ৰেছে ৬ আসনত জয়লাভ কৰিছে। আৰ জে দিয়ে ২২ খনত জয় লাভ কৰিছে আৰু ৩ খনত আগবাঢ়ি আছে।

অসম আৰক্ষীত কৰ্মৰত প্ৰাক্তন ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া আনন্দ মিশ্ৰই বিহাৰৰ বক্সাৰ সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী হিচাপে নিকটতম প্ৰতিদ্বন্দি ভাৰতীয় জাতীয় কংগ্ৰেছৰ সঞ্জয় কুমাৰ তিৱাৰীক ২৮ হাজাৰ ৩৫৩ টা ভোটত পৰাস্ত কৰে। বিজয় সাব্যস্ত কৰাৰ পাছত আনন্দ মিশ্ৰই সংবাদ মাধ্যমৰ আগত এইদৰে কয়ঃ

বাইট

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ দলীয় কৰ্মীসকলৰ লগতে বিহাৰৰ জনসাধাৰণক এই ঐতিহাসিক বিজয়ৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয়, যে এই বিজয় বিহাৰৰ মহিলাসকলৰ বিজয়। যিসকল মহিলাই আৰ জে দিৰ শাসনকালত জংঘলৰাজৰ সন্মুখীন হৈছিল। বিহাৰৰ জনসাধাৰণে অভিলেখ সংখ্যক ভোটদান কৰি গণতন্ত্ৰ আৰু নিৰ্বাচন আয়োগৰ প্ৰতি বিশ্বাস ৰখাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে বিহাৰৰ ৰাইজক অভিনন্দন জনায়। তেওঁ আৰু কয়, যে বিহাৰত পূৰ্বে পুনৰ ভোট গ্ৰহণ নকৰাকৈ নিৰ্বাচন অনুষ্ঠিত হোৱা নাছিল, কিন্তু এইবাৰ যথেষ্ট শান্তিপূৰ্ণভাৱে ভোটদান সম্পন্ন হৈছিল।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ অকাজানত অনুষ্ঠিত জন সমাবেশত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ নিৰ্বাচিত হিতাধিকাৰীক চেক প্ৰদান কৰে। এই আঁচনিৰ অধীনত চিচিবৰগাওঁ বিধানসভা সমষ্টিত ৩ হেজাৰ ৩৭০ টা আত্মসহায়ক গোটৰ ৩৪ হাজাৰ ৪৪৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ লক্ষ্য হিচাপে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে ধৰি আন বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে জীৱিকাৰ বিকল্প

সম্ভাৱনাৰ প্ৰয়াস কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে সাংসদ প্ৰদান বৰুৱা, মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু প্ৰশান্ত ফুকনো উপস্থিত থাকে।

০০০০

আজি শিশু দিৱস। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰীলৈ জন্ম বাৰ্ষিকীত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো শিশু দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ড° শৰ্মাই শিশু পৃথিৱীৰ আটাইতকৈ প্ৰিয়তম উপহাৰ বুলি মন্তব্য কৰি প্ৰতিটো শিশুৰ কুশল কামনা কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। এই ৰোগ প্ৰতিহত কৰিবলৈ প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই ৰোগ বৃদ্ধি হোৱাৰ বাবে বিভিন্ন জিলাত হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। লখিমপুৰ জিলাত পশুপালন বিভাগে এই পৰ্যন্ত এহেজাৰ ৭০৬টা গাহৰি নিধন কৰিছে। জিলাখনৰ ২৯ টা স্থানৰ ৩৪ খন গাহৰি ফাৰ্মৰ গাহৰি নিধন কৰা হৈছে। জিলাখনত যোৱা ৯ নৱেম্বৰৰ পৰা গাহৰি বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

ৰাজ্য চৰকাৰে বহিঃৰাজ্যৰ পৰা অনা গাহৰি অসম-বংগ সীমান্তত পৰীক্ষাৰ পাছত সংক্ৰমণ ধৰা পৰিলে সেই ঠাইতে নিধন কৰাৰ সিদ্ধান্ত লৈছে। চৰকাৰে ক্ষতিগ্ৰস্ত সকলো গাহৰি পালককে ক্ষতিপূৰণ প্ৰদান কৰিব বুলি মন্ত্ৰী কৃষ্ণেন্দু পালে ইতিমধ্যে জানিবলৈ দিছে।

০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচনলৈ কেইমাহমানহে বাকী। বিদ্যালয়-মহাবিদ্যালয়সমূহৰো চূড়ান্ত পৰীক্ষা সমাগত। বৰ্তমান বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰো বতৰ। এই সময়ছোৱাত ৰাজনীতিক, পৰীক্ষাৰ্থী, অভিভাৱকে ধৰি বিভিন্ন শ্ৰেণীৰ লোকৰ মানসিক চাপ বৃদ্ধি পায়। এই মানসিক চাপ কেনেদৰে নিয়ন্ত্ৰণত ৰাখিব পাৰি, সেই বিষয়ে কাইলৈ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। ৰাজ্যখনৰ এগৰাকী বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° জয়ন্ত দাসে ষ্টুডিঅ'ত থাকি বিভিন্ন প্ৰশ্নকৰ্তাই টেলিফোনযোগে উত্থাপন কৰা সমস্যাৰ নিদান দিব। এই অনুষ্ঠানটোৰ পৰিকল্পনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু উপস্থাপন অৰুণিমা গোস্বামীৰ। প্ৰয়োজনীয় ফোন নম্বৰ দুটি হৈছে – ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫।

০০০০

**ঃঃ সমাপ্ত ঃঃ**